**REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 21-01-2026

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসমে ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত ১০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এই বিষয়ে প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে ভাৰত-ব্ৰিটেইন আৰু ভাৰত - ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে অসমৰ চাহে বিশ্ব বজাৰ লাভ কৰিব।

**বাইট ঃ মুখ্যমন্ত্ৰী**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ৫ বছৰত চাহ, কৃষি, নিৰ্মাণ, খনি আৰু খনিজাত পদাৰ্থ আৰু সেৱাখণ্ডৰ ভাল প্ৰদৰ্শনৰ ফলত ৰাজ্যখনৰ বিকাশৰ হাৰ ৰাষ্ট্ৰীয় পৰ্যায়তকৈ অধিক হৈছে। অসম মাত্ৰ এখন ৰাজ্য নহয় বৰং উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ সমষ্টি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে চেমিকণ্ডাক্টৰ খণ্ডক নতুন যুগৰ উদ্যোগ বুলি অভিহিত কৰে।

বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিবেশনত অংশ লোৱাৰ সুযোগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বহুজাতিক উদ্যোগ এ বি ইনবেভৰ এগৰাকী শীৰ্ষ বিষয়া আন্দ্ৰে পেনাটেৰ সৈতে আলোচনাত মিলিত হয়। প্ৰতিষ্ঠানটোৱে অসমত তেওঁলোকৰ উৎপাদন সম্প্ৰসাৰণৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। তেওঁ লগতে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰত থকা লুলু গ্ৰুপৰ অধ্যক্ষ ইউছুফ আলীৰ সৈতে এখন বৈঠকত অসমৰ কৃষি প্ৰসংস্কৰণ, আতিথ্য, খুচুৰা ব্যৱসায় আদি খণ্ডত বিনিয়োগৰ সম্ভাৱনীয়তা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে বৰাহ গোটৰ মুখ্য পৰিচালন বিষয়া ইকাৰাজ জানজেনৰ সৈতে বিশেষ বৈঠকত মিলিত হয়। বৈঠকত কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ সৈতে কাম কৰি থকা সংস্থাটোৰ বিশেষ পদ্ধতি অসমৰ কৃষক সমাজক উপকৃত কৰিব পৰাকৈ প্ৰয়োগ কৰাৰ বিষয় লৈ আলোচনা কৰা হয়।

০০০০০

বৰপেটা জিলাৰ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ ব্যৱস্থাৰ পৰ্যবেক্ষণৰ দায়িত্বত থকা বিষয়া পাৱাৰ নাৰ্ছিং সম্ভাজীয়ে আজি জিলাখনৰ ভোটাৰ পঞ্জীয়ন বিষয়া আৰু স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ জিলাখনত চলি থকা বিশেষ পুনৰীক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা কৰি কয়, যে ভাৰতীয় নিৰ্বাচন আয়োগ সম্পূৰ্ণ স্বচ্ছতাৰে এই প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ দায়বদ্ধ। তেওঁ লগতে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ সন্দৰ্ভত থকা যিকোনো অভিযোগ নিষ্পত্তিকৰণ আৰু নাম কৰ্তনৰ দৰে বিষয়সমূহো স্বচ্ছতাৰে সম্পন্ন কৰি এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰা হ'ব বুলি প্ৰকাশ কৰে।

শিৱসাগৰ জিলাতো ভোটাৰ তালিকা পুনৰীক্ষণ প্ৰক্ৰিয়াৰ পৰ্যবেক্ষক হিচাপে নিয়োজিত অসম চৰকাৰৰ পৰিবহন বিভাগৰ আয়ুক্ত মানৱেন্দ্ৰ প্ৰতাপ সিঙে আজি নিৰ্বাচন পঞ্জীয়ন বিষয়া, বুথ পৰ্যায়ৰ বিষয়া তথা স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

ooooo

ইংৰাজী নৱবৰ্ষৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকললৈ প্ৰেৰণ কৰা শুভেচ্ছামূলক উপহাৰ আজি দৰং জিলাৰ অৰ্ধশতাধিক সাংবাদিকক প্ৰদান কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা জনসংযোগ বিভাগৰ উদ্যোগত বিয়লি আয়োজিত এটা অনুষ্ঠানত জিলা আয়ুক্ত পূৰালী গোহাঁইয়ে সাংবাদিকসকলক উপহাৰ প্ৰদান কৰে। ভাৰপ্ৰাপ্ত জিলা জনসংযোগ বিষয়া কোমল দলে এই অনুষ্ঠানৰ আঁত ধৰে।

ooooo

কালি দেহাৱসান ঘটা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শব্দৰাম ৰাভাৰ বাসগৃহত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত হৈ প্ৰয়াত অধিবক্তাগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ডাঃ পেগুৱে পৰিয়ালৰ লোকক সমবেদনা জ্ঞাপন কৰি ভৱিষ্যতে সহায়-সহযোগৰ আশ্বাস দিয়ে। শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰী আৰু বিজেপিৰ নেতা ব্ৰজেন মহন্ত উপস্থিত থাকে।

ooooo

বজালী জিলাৰ ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত শুকমানাহত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন লোকক আটক কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, হাউলীৰ ইটাৰভিটা অঞ্চলৰ ছানিদুল ইছলাম নামৰ লোকজনে নিচাজাতীয় দ্ৰব্যখিনি লৈ শুকমানাহ অভিমুখে গৈ থকা অৱস্থাত আৰক্ষীৰ তালাচীত মাদক দ্ৰব্যখিনি জব্দ কৰা হয়।

ooooo

মহাৰাষ্ট্ৰৰ ভি চি এ ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ টি-২০ শৃংখলাৰ প্ৰথমখন খেলত আজি ভাৰতে নিউজিলেণ্ডক জয়ৰ বাবে ২৩৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ২৩৮ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অভিষেক শৰ্মাই ৩৫ টা বলত ৮৪ ৰান কৰে। ৰিংকু সিং ৪৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। নিউজিলেণ্ডৰ জেকব দাফি আৰু কায়িল জেমিচনে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে আমালৈ বাতৰি অহাৰ পৰলৈ ৪ অভাৰত ২ টা উইকেট হেৰুৱাই ৩৩ ৰান কৰি খেলি আছে। ০০০

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ